Total No. of Printed Pages—3

**4 SEM TDC ASMH (CBCS) C 8**

**2024**

( May/June )

ASSAMESE

( Core )

Paper : C–8

( তুলনামূলক সাহিত্যৰ পদ্ধতি আৰু প্ৰয়োগ )

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) কোনে কালিদাসক ভাৰতৰ শ্বেক্সপীয়েৰ বুলি অভিহিত কৰিছিল?

(খ) 'Indian Literature' পদটো কোনে প্ৰথমে প্ৰয়োগ কৰিছিল?

(গ) ৰবীন্দ্ৰনাথ ঠাকুৰে তুলনামূলক সাহিত্যক পোনতে কি বুলি অভিহিত কৰিছিল?

(ঘ) 'Recreation' শব্দৰ অসমীয়া পৰিভাষা কি?

(ঙ) 'তুলনামূলক সাহিত্য : সিদ্ধান্ত আৰু প্ৰয়োগ' গ্ৰন্থখনৰ লেখক কোন?

(চ) মেথিউ আৰ্নল্ডে Comparative Literature শব্দটো প্ৰথম কেতিয়া ব্যৱহাৰ কৰিছিল?

(ছ) ভবেন্দ্ৰনাথ শইকীয়াৰ দ্বাৰা পৰিচালিত প্ৰথম চলচ্চিত্ৰখনৰ নাম কি?

(জ) সাহিত্যৰ আধাৰত নিৰ্মাণ হোৱা প্ৰথম অসমীয়া চলচ্চিত্ৰখনৰ নাম কি?

২। (ক) বিভিন্ন আলোচকে আগবঢ়োৱা সংজ্ঞাৰ আধাৰত তুলনামূলক সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰা। ১৪

অথবা

(খ) সাহিত্যৰ বিচাৰত তুলনামূলক সাহিত্যৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰি এটি আলোচনা আগবঢ়োৱা।

৩। (ক) "তুলনামূলক সাহিত্য এনে এক শাখা যি একক ভাষাসমূহ তথা জাতীয় সাহিত্যসমূহৰ পৰিধি অতিক্ৰম কৰি গৈ থাকে।" কথাষাৰৰ আধাৰত তুলনামূলক সাহিত্যৰ ধাৰণা দিয়া। ১৫

অথবা

(খ) সাহিত্যৰ লগত সমাজবিজ্ঞানৰ বিভিন্ন বিষয় কেনেদৰে জড়িত হ'ব পাৰে, ব্যাখ্যা কৰা।





৪। (ক) ভাৰতৰ পটভূমিত তুলনামূলক সাহিত্যৰ প্ৰাসংগিকতা ব্যাখ্যা কৰি এটি টোকা প্ৰস্তুত কৰা। ১৪

অথবা

(খ) ভাৰতবৰ্ষত তুলনামূলক সাহিত্যৰ বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। চমু টোকা লিখা (যি কোনো দুটাৰ) : ৭×২=১৪

(ক) অসমত তুলনামূলক সাহিত্যৰ চৰ্চা

(খ) তুলনামূলক সাহিত্য আৰু তুলনামূলক অধ্যয়ন

(গ) 'বানপ্ৰস্থ' গল্পৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ

(ঘ) সাহিত্য আৰু সংগীতৰ সম্পৰ্ক

৬। (ক) 'সন্ধ্যাৰাগ' চলচ্চিত্ৰ আৰু 'বানপ্ৰস্থ' গল্পৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ১৫

অথবা

(খ) সুকীয়া মাধ্যমৰূপে সাহিত্য আৰু চলচ্চিত্ৰৰ উপস্থাপন-কৌশলত কেনেধৰণৰ পাৰ্থক্য দেখা যায়, 'সন্ধ্যাৰাগ' আৰু 'বানপ্ৰস্থ' গল্পৰ আধাৰত ফঁহিয়াই দেখুওৱা।

★★★